জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
১০ জুন ২০২৬ ■ বুধবাৰ ■ ২৬ জেঠ, ১৯৪৮ শক

শিৱসাগৰত পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ অভিভাৱক মন্ত্ৰী বিমল বড়াৰ

দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি
শিৱসাগৰ, ৯ জুন ঃ মন্ত্ৰিত্বৰ দায়িত্ব লাভ কৰাৰ পিছত প্ৰথমবাৰৰ বাবে শিৱসাগৰ জিলাত উপস্থিত হৈছে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ লগতে শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বড়াই। আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনি আৰু প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লোৱাৰ উদ্দেশ্যে আয়োজিত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। আৰম্ভণি বক্তব্যত অভিভাৱক মন্ত্ৰীগৰাকীয়ে বিভাগীয় বিষয়াসকলক সেৱাৰ মনোভাবেৰে উৎসৰ্গিত হৈ ৰাইজৰ হকে কাম কৰি যোৱাৰ লগতে ৰাজহুৱা ওজৰ-আপত্তিৰ প্ৰতি সহানুভূতিশীলতা প্ৰদৰ্শনেৰে সেই সমূহ নিষ্পত্তিৰ দিশত সচেষ্ট হ'বলৈ আহ্বান জনায়। তেওঁ চৰকাৰ আৰু প্ৰশাসনক ৰাইজৰ অধিক ওচৰ চপাই লৈ যোৱাৰ ক্ষেত্ৰতো তেওঁলোকক যত্নপৰ হ'বলৈ পৰামৰ্শ দিয়ে। বৈঠকত মন্ত্ৰীগৰাকীয়ে উদ্যোগ আৰু বাণিজ্য, লোকনিৰ্মাণ (পথ), লোকনিৰ্মাণ (গৃহ), স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, শিক্ষা, কৃষি, মীন, পশুপালন আৰু পশু চিকিৎসা, জলসম্পদ, জলসিঞ্চন, অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ প্ৰমুখ্যে অন্যান্য চৰকাৰী বিভাগসমূহে ৰূপায়ণ কৰি থকা আঁচনি আৰু প্ৰকল্পৰ অগ্ৰগতি সন্দৰ্ভত বিস্তৃতভাৱে পৰ্যালোচনা কৰি ভালেমান গুৰুত্বপূৰ্ণ নিৰ্দেশনা আৰু পৰামৰ্শ আগবঢ়ায়। তেওঁ উদ্যোগ আৰু বাণিজ্য খণ্ডত উদ্ভাৱনী চিন্তাৰ সংযোজন, উদ্যমী উদ্যোগীসকলক উৎসাহ প্ৰদান, উৎপাদিত সামগ্ৰীৰ চাহিদা বৃদ্ধি, আসোঁৱাহ দূৰীকৰণৰ লগতে মাৰ্কেট লিংকেজৰ ব্যৱস্থা কৰিবলৈও পৰামৰ্শ দিয়ে। আনহাতে, জিলাখনৰ বাট-পথ আৰু যাতায়ত ব্যৱস্থা উন্নীতকৰণৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰাৰ বাবেও তেওঁ নিৰ্দেশ প্ৰদান কৰে। তেওঁ জিলাখনত লোকনিৰ্মাণ (গৃহ) বিভাগৰ অধীনত নিৰ্মীয়মান প্ৰকল্পসমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰত তথা গুণগত মান বজাই ৰাখি সম্পূৰ্ণ কৰিবলৈও নিৰ্দেশ দিয়ে। লগতে তেওঁ বিভাগীয় সমন্বয় বজাই ৰাখি কৃষি, পশুপালন আৰু পশুচিকিৎসা, মীন, জলসিঞ্চন আদি বিভাগক উৎপাদনমুখী আঁচনি হাতত লোৱাৰ পোষকতা কৰে। জিলাখনত বিধানসভা সমষ্টি ভিত্তিত অতিকমেও ৭ হেক্টৰকৈ কৃষিভূমিত ক্ষুদ্ৰ সৌৰচালিত জলসিঞ্চন প্ৰকল্প গ্ৰহণেৰে ধানখেতিৰ সমান্তৰালকৈ সমন্বিত কৃষি পদ্ধতিৰে মৎস্যপালনৰ কৰাৰ প্ৰতিও অগ্ৰসৰ হ'বলৈ আহ্বান জনায়। জিলাখনত সম্ভাব্য বানপৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ অৰ্থে গ্ৰহণ কৰা প্ৰস্তুতিমূলক ব্যৱস্থাপনাৰ বিষয়েও বৈঠকত মন্ত্ৰীগৰাকীয়ে বুজ লয়। এই সন্দৰ্ভত তেওঁ বিভাগীয় পৰ্যায়ত প্ৰয়োজনীয় সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণৰ লগতে জৰুৰীকালীন উদ্ধাৰ পৰিকল্পনা আৰু সাহায্য সামগ্ৰী মজুত ৰাখিবলৈও নিৰ্দেশ দিয়ে। এইক্ষেত্ৰত বিভাগীয় তৎপৰতা আৰু সু-সমন্বয় অপৰিহাৰ্য বুলিও তেওঁ মন্তব্য কৰে। অভিভাৱক মন্ত্ৰীগৰাকীক পৰ্যালোচনা বৈঠকৰ আৰম্ভণিতে উষ্ম আদৰণি আৰু সম্বৰ্ধনা জনাই আদৰণী বক্তব্য আগবঢ়ায় জিলা আয়ুক্ত মুদুল যাদৱে। আজিৰ পৰ্যালোচনা বৈঠকত নাজিৰা সমষ্টিৰ বিধায়ক মযূৰ বৰগোহাঁই, জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাপৰি চেতিয়া, জিলা উন্নয়ন আয়ুক্ত পৰিত্ৰ কুমাৰ দাস, অতিৰিক্ত আৰক্ষী অধীক্ষকৰ মইদুল ইছলাম, নাজিৰাৰ সম-জিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম,

ডিমৌৰ সম-জিলা আয়ুক্ত লুকুমণি বড়া, শিৱসাগৰ বন সংমণ্ডল (টেৰিটৰিয়েল)ৰ মাণ্ডলিক বন বিষয়া চিৰঞ্জীৱ পি জৈন, অতিৰিক্ত জিলা আয়ুক্তত্ৰয় সোণতৃষ্ণা ঘৰফলীয়া, গৌৰীপ্ৰিয়া দেউৰী আৰু ৰণন্ময় ভৰদ্বাজ, সমাজকৰ্মী বিতোপন ৰাইদঙীয়া, লক্ষ্যশ্ৰী চেতিয়া আৰু ঘন গগৈ, শিৱসাগৰ পৌৰ সভাৰ অধ্যক্ষ মৃণালী কোঁৱৰ প্ৰমুখ্যে জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী আৰু বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে। পৰ্যালোচনা বৈঠকৰ অন্তত মন্ত্ৰীগৰাকীয়ে এক সংবাদ মেল সম্বোধন কৰি স্থানীয় সংবাদসেৱীসকলৰ আগত আজিৰ পৰ্যালোচনা বৈঠকৰ মূল আলোচ্য বিষয়সমূহৰ ওপৰত এক চমু অৱলোকন দাঙি ধৰে। পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰাৰ পূৰ্বে অভিভাৱক মন্ত্ৰীগৰাকীয়ে ঐতিহাসিক শিৱদৌলত পূজা-অৰ্চনা আগবঢ়ায়।

গুৱাহাটীত দেৱানী ন্যায়াধীশ (জুনিয়ৰ ডিভিচন), নং ৫ তথা জেএমএফচি কামৰূপ (ম)ৰ আদালতত
চি.পি.চি.-ৰ আদেশ ৫, নিয়ম ২০-ৰ অধীনত
মানি চুট নং ৪৮৯/২০২৫
বেংক অৱ বৰোদা .....গুচৰীয়া
- বনাম -
শ্ৰী সমীৰ ঘোষ ..... বিবাদী
প্ৰতি,
শ্ৰী সমীৰ ঘোষ
মাৰফৎ- অনিল ঘোষ, ঘৰ নং ৩৯, ভাস্কৰ বিদ্যাপীঠ ৰোড, ভাস্কৰ নগৰ, বামুনিমৈদান, জিলা- কামৰূপ(ম), গুৱাহাটী, অসম- ৭৮১০২১-ৰ নিবাসী।
যিহেতু উপৰোক্ত নামৰ গুচৰীয়াজনে আপোনালোকৰ বিৰুদ্ধে **৪,৬৫,৬১৪.৪৩ টকা (চাৰি লাখ পঁয়ষ্ঠি হাজাৰ ছয়শ চৈধ্য টকা আৰু তিয়াল্লিছ পইচা মাত্ৰ)** আদায়ৰ বাবে এটা মানি চুট কৰ্জু কৰিছে, সেয়েহে আপোনালোক এই আদালতত ব্যক্তিগতভাৱে বা আপোনাৰ দ্বাৰা যথাযথভাৱে অনুমোদিত অধিবক্তাৰ দ্বাৰা **২০ জুলাই, ২০২৬ তাৰিখে** পুৱা **১০.০০ বজাত** দাবীৰ উত্তৰ দিবলৈ উপস্থিত হ'বলৈ চমন জাৰি কৰা হৈছে আৰু ইয়াৰ দ্বাৰা আপুনি সেইদিনা আপোনাৰ প্ৰতিৰক্ষাৰ বাবে লিখিত বিবৃতি দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।
মনত ৰাখিব যে আগত উল্লেখ কৰা দিনত আপোনালোক উপস্থিত হ'বলৈ অসমৰ্থ হ'লে, আপোনালোকৰ অনুপস্থিতিত গোচৰটো শুনানি আৰু সিদ্ধান্ত গ্ৰহন কৰা হ'ব।
২৯ মে, ২০২৬ তাৰিখে মোৰ স্বাক্ষৰ আৰু এই আদালতৰ মোহৰ প্ৰদান কৰা হ'ল।
জুনিয়ৰ প্ৰশাসনিক বিষয়া
দেৱানী ন্যায়াধীশ (জুনিয়ৰ ডিভিচন)
কামৰূপ (মহানগৰ), গুৱাহাটী

বৈংক অৱ বৰোডা
Bank of Baroda
আঞ্চলিক কাৰ্যালয়, ৰাজকোট ঃ দ্বিতীয় মহলা, বেংক অব্ বৰোডা ভৱন, এম. জি. ৰোড, ৰাজকোট- ৩৬০ ০০১
জাননী
বেংক অব্ বৰোডাৰ ৰাজকোট আঞ্চলিক কাৰ্যালয়ত কৰ্মৰত জ্যেষ্ঠ প্ৰবন্ধক শ্ৰী দেৱপ্ৰিয় দত্ত (কৰ্মচাৰী কোড নম্বৰ ৯০৭৬৫) যোৱা ০১.১২.২০২৫ তাৰিখৰ পৰা অবিবৰভাৱে কোনো ধৰণৰ দৰমহা নোলোৱাকৈ কৰ্তব্যত অনুমোদনবিহীনভাৱে অনুপস্থিত হৈ আছে।
বেংকে ডাক যোগাযোগৰ জৰিয়তে তেওঁৰ সৈতে যোগাযোগ কৰি কৰ্তব্যত যোগদান কৰিবলৈ পৰামৰ্শ দিছিল, কিন্তু তেওঁ আজিলৈকে কামত যোগদান কৰা নাই। সেই অনুসৰি, ২৩.০৩.২০২৬ তাৰিখৰ এখন স্মাৰকপত্ৰ তেওঁৰ শেষবাৰৰ বাবে উপলব্ধ ডাক আৰু ইমেইল ঠিকনালৈ (বেংকৰ ৰেকৰ্ড অনুসৰি) প্ৰেৰণ কৰা হৈছে। উক্ত স্মাৰকপত্ৰখন তেওঁ নিজেই বা তেওঁৰ দ্বাৰা অনুমোদিত প্ৰতিনিধিৰ জৰিয়তে তলত উল্লেখ কৰা বিষয়াগৰাকীৰ পৰা সংগ্ৰহ কৰিব পাৰিব ঃ
শ্ৰীমতী পূজা, মুখ্য প্ৰবন্ধক - মানৱ সম্পদ ব্যৱস্থাপনা, আঞ্চলিক কাৰ্যালয়, ৰাজকোট, দ্বিতীয় মহলা, বেংক অব্ বৰোডা ভৱন, এম.জি. ৰোড, প্ৰধান ডাকঘৰৰ ওচৰত, ৰাজকোট, গুজৰাট- ৩৬০ ০০১।
যিহেতু **শ্ৰী দেৱপ্ৰিয় দত্তই** স্মাৰকপত্ৰৰ কোনো সঁহাৰি দিয়া নাই বা নিজৰ লিখিত প্ৰতিৰক্ষা বিবৃতি দাখিল কৰা নাই, সেইবাবে আঞ্চলিক মুৰব্বী তথা অনুশাসনমূলক কৰ্তৃপক্ষই পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰিছে আৰু তেওঁৰ বিৰুদ্ধে অনা আৰোপণামা তথা অভিযোগসমূহৰ তদন্ত কৰিবলৈ **মুখ্য প্ৰবন্ধক শ্ৰী জিতেন্দ্ৰ কুমাৰক (কৰ্মচাৰী কোড নম্বৰ ৭৯৮৫২)** তদন্তকাৰী কৰ্তৃপক্ষ হিচাপে নিযুক্তি দিছে।
তদন্তকাৰী কৰ্তৃপক্ষই প্ৰথম শুনানী ০৬.০৫.২০২৬ তাৰিখে আৰু দ্বিতীয় শুনানী ২২.০৫.২০২৬ তাৰিখে ধাৰ্য কৰিছিল। শ্ৰী দেৱপ্ৰিয় দত্ত এই শুনানীত উপস্থিত থকা নাছিল, যাৰ বাবে এই কাৰ্যক্ৰম একপক্ষীয়াভাৱে চলোৱা হৈছিল। তদন্তকাৰী কৰ্তৃপক্ষই ১৭.০৬.২০২৬ তাৰিখে তৃতীয় তথা চূড়ান্ত শুনানীৰ দিন ধাৰ্য কৰিছে। যদিহে শ্ৰী দেৱপ্ৰিয় দত্ত এই শুনানীত উপস্থিত থাকিবলৈ ব্যৰ্থ হয়, তেন্তে তদন্ত প্ৰক্ৰিয়া একপক্ষীয়াভাৱে সামৰণি মৰা হ'ব।
এই জাননী প্ৰকাশ পোৱাৰ ৭ দিনৰ ভিতৰত যদি শ্ৰী দেৱপ্ৰিয় দত্তই ৰাজকোট আঞ্চলিক কাৰ্যালয়ত হাজিৰ নহয় অথবা স্মাৰকপত্ৰৰ উত্তৰ দাখিল নকৰে বা অনুশাসনমূলক কাৰ্যক্ৰমত অংশগ্ৰহণ নকৰে; তেন্তে উক্ত স্মাৰকপত্ৰৰ জৰিয়তে আৰম্ভ কৰা অনুশাসনমূলক ব্যৱস্থা বেংক অব্ বৰোডা বিষয়া কৰ্মচাৰী নিয়মাৱলী ১৯৭৬-ৰ নিয়ম অনুসৰি একপক্ষীয়াভাৱে আগবঢ়াই নিয়া হ'ব।
তাৰিখ ঃ ০৩.০৬.২০২৬ **(মনু মিট্টাল আৰকে) উপ-মহাপ্ৰবন্ধক,**
স্থান ঃ ৰাজকোট **অনুপালন আৰু আশ্বাস**

HDFC BANK
We understand your world
পঞ্জীকৃত কাৰ্যালয় ঃ এইচডিএফচি বেংক হাউচ, সেনাপতি বাপত মাৰ্গ, ল'ৰাৰ পেৰেল (পশ্চিম), মুম্বাই-৪০০ ০১৩ আৰু ৰিটেইল পৰ্টফলিঅ' মেনেজমেণ্টৰ কাৰ্যালয় হিচাপে এইচডিএফচি বেংক লিমিটেড, ১ম মহলা, আই-থিংক টেকনো কেম্পাছ, কাঞ্জুৰমাৰ্গ (পূৰ্ব), মুম্বাই- ৪০০০৪২
এইচডিএফচি বেংকৰ ওচৰত বন্ধকী ছিকিউৰিটি বিক্ৰীৰ বাবে বিক্ৰীৰ তথ্য আৰু ৰাজহুৱা জাননী
এইচডিএফচি বেংক লিমিটেডৰ ("বেংক") নিম্নোল্লিখিত ঋণ লওতাসকলক ছিকিউৰিটিজৰ বিৰুদ্ধে ঋণ/অভাৰড্ৰাফটৰ প্ৰকৃতিৰ ঋণৰ সুবিধা লাভ কৰাৰ বাবে ইয়াৰ দ্বাৰা বেংকক বন্ধক দিয়া ছিকিউৰিটি বিক্ৰীৰ সম্পৰ্কে জাননী দিয়া হৈছে।
ঋণ লওতাসকলে চুক্তিবদ্ধ ঋণ/সুবিধাসমূহৰ চৰ্ত অনুসৰি বাকী থকা বাবদ ধন পৰিশোধ কৰাত স্থায়ীভাৱে ডিফল্ট কৰাৰ বাবে তলৰ ঋণৰ একাউণ্টসমূহ ডিলিংকুৱেট স্থিতিত আছে। বেংকে এই ঋণ লওতাসকললৈ একাধিক জাননী জাৰি কৰিছে, য'ত তলত উল্লেখ কৰা তাৰিখৰ চূড়ান্ত বিক্ৰীৰ জাননীও অন্তৰ্ভুক্ত কৰা হৈছে। এই পৰিপ্ৰেক্ষিতত বেংকে সেই বন্ধকীৰ আহ্বান জনাইছে আৰু ঋণ লওতাসকলক তলৰ একাউণ্টসমূহত থকা সমগ্ৰ বাকী থকা বাবদ ধন পৰিশোধ কৰিবলৈ ৭ দিনৰ সময় প্ৰদান কৰিছে, যিটো বিফল হ'লে বেংকে এই সন্দৰ্ভত পৰৱৰ্তী জাননী জাৰি নকৰাকৈ বন্ধকত দিয়া ছিকিউৰিটিসমূহ বিক্ৰী কৰাৰ স্বাধীনতা থাকিব। ঋণ লওতাসকলে দেখুওৱা অৱহেলা আৰু উপযুক্ত পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ পৰিপ্ৰেক্ষিতত বেংকে ঋণ চুক্তিৰ অধীনত অধিকাৰসমূহ ব্যৱহাৰ কৰি বন্ধকী হিচাপে **১৭ জুন, ২০২৬** তাৰিখে বা তাৰ পিছত ঋণ লওতাসকলে বেংকক পৰিশোধ কৰা প্ৰাপ্য পৰিমাণ পুনৰুদ্ধাৰ কৰাৰ বাবে ছিকিউৰিটিবোৰ বিক্ৰী/নিষ্পত্তি কৰাৰ সিদ্ধান্ত লৈছে। ঋণ লওতাসকলক লগতে এইবুলি জাননী দিয়া হৈছে যে যদি যিকোনো সময়ত মাৰ্জিনৰ প্ৰয়োজনীয়তাত অধিক অভাৱ সৃষ্টিৰ বাবে শেয়াৰ বজাৰৰ অস্থিৰতাৰ ফলত বন্ধকী ছিকিউৰিটিৰ মূল্য অধিক হ্ৰাস পায় তেনেহ'লে বেংকে ইয়াৰ বিবেচনা অনুসৰি এই সন্দৰ্ভত কোনো জাননী অবিহনে এক (১) কেলেণ্ডাৰ দিনৰ ভিতৰত বন্ধকী ছিকিউৰিটি বিক্ৰী কৰিব। ঋণ লওতা(সকল) বন্ধকত দিয়া ছিকিউৰিটি বিক্ৰীৰ পৰা পোৱা ধনৰ এডজাষ্টমেণ্টৰ পিছত যিকোনো বাকী থকা ধন পৰিশোধৰ বাবে বেংকৰ ওচৰত দায়বদ্ধ হৈ থাকিব।

ক্ৰ. নং	ঋণ একাউণ্ট নং	ঋণ লওতাৰ নাম	৭ জুন ২০২৬ পৰ্যন্ত বকেয়া পৰিমাণ	বিক্ৰী জাননীৰ তাৰিখ
1	XXXXXXXXXX0013	ভাস্কৰ বেজবৰুৱা	1,96,216.29	৮ জুন ২০২৬
2	XXXXXXXXXX9665	ৰাজেশ টে'টাইলছ প্ৰাইভেট লিমিটেড	2,065.00	৬ জুন ২০২৬
3	XXXXXXXXXX8149	জীৱকান্ত বৰা	9,06,630.03	৬ জুন ২০২৬
4	XXXXXXXXXX8223	মহেশ কুমাৰ সোনথালিয়া	42,197.28	৮ জুন ২০২৬
5	XXXXXXXXXX3533	সজ্জন কুমাৰ সোনথালিয়া	24,547.02	৮ জুন ২০২৬
6	XXXXXXXXXX9588	অভিষেক দাস	3,17,333.76	৮ জুন ২০২৬
7	XXXXXXXXXX9140	সমৰজ্যোতি চলিহা	2,135.00	৬ জুন ২০২৬
8	XXXXXXXXXX9888	কৃষ্ণ শইকীয়া	10,04,814.09	৬ জুন ২০২৬
9	XXXXXXXXXX5422	মঞ্জু দেৱী বাইড	1,14,166.31	৬ জুন ২০২৬
10	XXXXXXXXXX1889	পূজাশ্ৰী বৰুৱা	15,809.30	৮ জুন ২০২৬
11	XXXXXXXXXX1514	ৰাজেন দত্ত	2,40,008.17	৮ জুন ২০২৬
12	XXXXXXXXXX4625	জিতামণি দত্ত	76,455.93	৬ জুন ২০২৬
13	XXXXXXXXXX5331	বিমল ভৰালী	1,929.60	৬ জুন ২০২৬
14	XXXXXXXXXX8601	ৰবিতা সিংঘানিয়া	7,08,071.11	৬ জুন ২০২৬
15	XXXXXXXXXX1791	মালা গাৰোডিয়া	4,58,908.48	৮ জুন ২০২৬
16	XXXXXXXXXX6343	বিষ্ণু গাৰোডিয়া	2,64,142.99	৮ জুন ২০২৬
17	XXXXXXXXXX6226	স্নেজল ভগৎ	4,79,513.67	৮ জুন ২০২৬
18	XXXXXXXXXX1648	কমল চন্দ্ৰ গগৈ	1,91,714.59	৮ জুন ২০২৬
19	XXXXXXXXXX4277	সুনীল কুমাৰ বাইড	6,26,275.82	৬ জুন ২০২৬
20	XXXXXXXXXX7198	গুণজিৎ বায়ন	5,65,409.62	৮ জুন ২০২৬
21	XXXXXXXXXX4227	জয়া বৰাই	52,174.60	৬ জুন ২০২৬
22	XXXXXXXXXX3169	কাজল বৰুৱা	6,03,052.82	৬ জুন ২০২৬
23	XXXXXXXXXX8590	প্ৰতীক কুমাৰ গোৱেল	1,21,802.90	৮ জুন ২০২৬
24	XXXXXXXXXX5525	অঞ্জলি বৰঠাকুৰ	8,24,975.30	৮ জুন ২০২৬
25	XXXXXXXXXX6433	পাপৰী শইকীয়া	4,70,178.32	৮ জুন ২০২৬
26	XXXXXXXXXX6867	পাপৰী শইকীয়া	5,048.90	৮ জুন ২০২৬
27	XXXXXXXXXX3053	মনমিল কলিতা	10,05,682.95	৮ জুন ২০২৬
28	XXXXXXXXXX3618	পংকজ ভূঞা	2,62,720.60	৮ জুন ২০২৬
29	XXXXXXXXXX2378	বংশ বাহাদুৰ চৌহান	10,09,152.00	৬ জুন ২০২৬
30	XXXXXXXXXX5711	বৰ্ষা গোৱেল	80,634.82	৬ জুন ২০২৬
31	XXXXXXXXXX1392	শংকৰ বয়	2,88,454.82	৬ জুন ২০২৬
32	XXXXXXXXXX8849	পল্লৱ কোঁৱৰ	7,42,240.11	৬ জুন ২০২৬
33	XXXXXXXXXX4990	সীমান্ত কাকতি	3,24,423.82	৬ জুন ২০২৬
34	XXXXXXXXXX8461	ৰূপৰঞ্জন ভূঞা	26,614.00	৪ মে' ২০২৬

তাৰিখ ঃ ১০.০৬.২০২৬ স্বা/-
স্থান ঃ অসম এইচডিএফচি বেংক লিমিটেড

কমলপুৰৰ পুঠিমাৰীত নিশা মুমূৰ্ষু অৱস্থাত এজন লোকক উদ্ধাৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ৯ জুন ঃ কামৰূপ জিলাৰ কমলপুৰ থানাৰ অন্তৰ্গত ২৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত মুমূৰ্ষু অৱস্থাত এজন অচিনাক্ত লোক উদ্ধাৰ হোৱা ঘটনাই এক চেপা উত্তেজনাৰ সৃষ্টি কৰে অঞ্চলটোত। ঘটনাৰ বিবৰণী মতে যোৱা নিশা প্ৰায় ১১.৩০ বজাত ২৭নং ৰাষ্ট্ৰীয় ঘাই পথৰ দাঁতিত মুমূৰ্ষু অৱস্থাত কোনো লোকে প্ৰত্যক্ষ কৰি স্থানীয় কমলপুৰ থানাত খবৰ কৰে। তেতিয়া কমলপুৰ থানাৰ আৰক্ষী গৈ লোকজনক ততাতৈয়াকৈ কমলপুৰ আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰায় যদিওঁ উন্নত চিকিৎসাৰ কাৰণে কমলপুৰৰ চিকিৎসকে চাংসাৰিস্থিত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানলৈ প্ৰেৰণ কৰে। তাত চিকিৎসকে লোকজন মৃত বুলি ঘোষণা কৰে। মৰণোত্তৰ পৰীক্ষাৰ অন্তত মৃতদেহটো গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ মৰ্গত ৰখা হয় বুলি জানিবলৈ দিয়ে পুলিচ সূত্ৰই। যদি কোনো সদাশয় লোকে মৃত লোকজনক চিনি পায় তেতিয়া হ'লে ৮৬৩৮৪৪৮১৭০ আৰু ৮১৩৪০০৬২৬৬ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনায় কমলপুৰ আৰক্ষীয়ে।

দৈনন্দিন বাৰ্তা
১০ জুন ২০২৬ ■ বুধবাৰ ■ ২৬ জেঠ, ১৯৪৮ শক

কঠীয়াতলীত নেতাজী সুভাষ চন্দ্ৰ বসু আৱাসিক বিদ্যালয় উদ্বোধন মন্ত্ৰী পীয়ূষ হাজৰিকাৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, কচুৱা, ৯ জুন ঃ এই বাৰৰ মন্ত্ৰিত্বৰ তৃতীয়টো কাৰ্যকালৰ প্ৰথম দিনটোত ছাত্ৰ-ছাত্ৰীৰ লগত সম্পৰ্কত থকা এটা ভাল কামৰে আৰম্ভ কৰিছোঁ। এই কাম কৰি মই সুখী আৰু আনন্দিত হৈছোঁ, যাতে আগলৈও ভাল কাম কৰিব পাৰোঁ তাৰ বাবে আপোনালোকৰ পৰা আশীৰ্বাদ বিচাৰিছো। এই মন্তব্য অসম চৰকাৰৰ কৃষি, জলসিঞ্চন বিভাগৰ লগতে নগাঁৱকে ধৰি চাৰিখন জিলাৰ অভিভাৱক মন্ত্ৰিত্ব লাভ কৰা পীয়ূষ হাজৰিকাৰ। উল্লেখ্য যে আজি মন্ত্ৰী হাজৰিকাৰ তৃতীয়বাৰৰ বাবে মন্ত্ৰিত্বৰ দায়িত্ব লাভ কৰিয়েই নগাঁৱৰ কঠীয়াতলীত উপস্থিত হয়। অসম সৰ্বশিক্ষা অভিযান আঁচনিৰ অধীনত নিৰ্মাণ কৰা নেতাজী সুভাষ চন্দ্ৰ বসু আৱাসিক বিদ্যালয় উদ্বোধন কৰে মন্ত্ৰীগৰাকীয়ে। কৃষি আৰু জলসিঞ্চন বিভাগৰ দায়িত্ব লাভ কৰা পিছতে কয় যে অনাগত দিনত বঢ়মপুৰ সমষ্টিৰ কৃষকসকলক কৃষি আৰু জলসিঞ্চনৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ ব্যাপক প্ৰচেষ্টা চলাব। এই সম্পৰ্কত মন্ত্ৰী হাজৰিকাই কয় যে অনাগত দিনত সমগ্ৰ অসমৰ লগতে বঢ়মপুৰ সমষ্টিৰ কৃষকসকলক কৃষি আৰু জলসিঞ্চনৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ ব্যাপক প্ৰচেষ্টা চলাব। লগতে কয় যে তৃতীয়বাৰৰ কাৰণে মন্ত্ৰী হোৱাৰ পিছত মই নগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী পালোঁ, হোজাই জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব পালোঁ। আজি অভিভাৱক মন্ত্ৰীৰ দায়িত্ব ল'বলৈ অহাৰ সময়ত এটা খুব ভাল কাম মোৰ হাতেৰে হ'ল। জিতু গোস্বামীয়ে মোক ক'লে এশ ল'ৰা - ছোৱালী যাৰ পিতৃ-মাতৃ নাই, যি আৰ্থিকভাৱে সচ্ছল নহয়, তেওঁলোকক আৱাসৰ ব্যৱস্থা কৰা হৈছে। গতিকে এই কামটো মোৰ হাতৰে কৰা হ'ল। মই অত্যন্ত সুখী, অত্যন্ত আনন্দিত। কৃষকৰ লগত জড়িত দুটাকৈ বিভাগ লাভ কৰি কেনেদৰে পদক্ষেপ ল'ব বুলি সাংবাদিকে কৰা প্ৰশ্নত কৃষি আৰু জলসিঞ্চন বিভাগৰ নৰ-নিৰ্বাচিত মন্ত্ৰী হাজৰিকাই কয় বহুতখিনি কাম কৰিব লাগিব, কিন্তু মই বিভাগৰ বিষয়াসকলৰ লগত ভালকৈ বহাৰ সুযোগ পোৱা নাই, কিন্তু এটা কথা সত্তৰ শতাংশ-পঁইসত্তৰ শতাংশ অসমৰ মানুহ কৃষিৰ লগত জড়িত। কৃষকক সহায় কৰিবই লাগিব, কৃষকৰ উপাৰ্জন দুগুণ কৰিবই লাগিব। আমাৰ যি পৰম্পৰাগত কৃষি পদ্ধতি তাক সলনি কৰিব লাগিব। অকল ধান খেতি কৰি আমি লাভৱান্বিত হ'ব নোৱাৰোঁ। কি কি খেতি কৰিলে অধিক লাভৱান্বিত হ'ব পাৰোঁ, উপাৰ্জন দুগুণ বৃদ্ধি হ'ব পাৰে তাৰ কাৰণে কাম কৰিবলৈ নিশ্চয়কৈ যত্ন কৰিম আৰু মুখ্যমন্ত্ৰীয়ে জলসিঞ্চন বিভাগটো মোক চাবলৈ দিছে। কৃষি বিভাগ আৰু জলসিঞ্চন বিভাগ খুব নিবিড় সম্পৰ্ক। আমি কেতিয়া কৰিম, যেতিয়া পানী থাকে। বাৰিষাও কেতিয়াবা খৰাং হয় তেতিয়া পানী দিব লাগিব। আমাৰ খৰালি দিনত যিখিনি খেতি হয় সেই খিনিৰ তুলনামূলকভাৱে দাম বেছি হয়। কিন্তু পানীৰ অভাৱত আমি কৰিব নোৱাৰোঁ। গতিকে পানী দিবলৈ নিশ্চয়কৈ চেষ্টা কৰিম। বঢ়মপুৰ সমষ্টিৰ কামপুৰৰ কপিলী আৰু নিশাৰী নৈৰ বহু জলসিঞ্চন আঁচনিয়েই বৰ্তমান পৰিত্যক্ত হৈ থকা বুলি সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী হাজৰিকাই কয় মই মন্ত্ৰিৰ দায়িত্ব লোৱাই নাই কিন্তু কাম কৰিবলৈ যত্ন কৰিম। আজি বহুত কিবা কৈ দিম মানুহে ক'ব বহুত বহুত কথা কয়। কিন্তু যত্ন কৰাৰ ত্ৰুটি নকৰোঁ। জলসম্পদ বিভাগৰ মন্ত্ৰী আছিলো। চেষ্টা কৰিছিলো, সেই কাৰণে হয়তো বঢ়মপুৰ সমষ্টিত এতিয়া মথাউৰি নথকা এটা জেগাও নাই। গতিকে জলসিঞ্চন আৰু কৃষি বিভাগৰ কাম কৰিবলৈ যত্ন কৰিম।' এই সম্পৰ্কত অনুষ্ঠিত এখন সভাত ভাষণ প্ৰদান কৰে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে।

Chola
Enter a better life
চোলামণ্ডলম ইনভেষ্টমেণ্ট এণ্ড ফাইনেঞ্চ কোম্পানী লিমিটেড
**কৰ্পৰেট কাৰ্যালয় ঃ "চোলা ক্ৰেষ্ট", চি ৫৪ আৰু ৫৫, ছুপাৰ বি-৪, থিৰু ভি কা ঔদ্যোগিক ক্ষেত্ৰ, গিণ্ডী, চেন্নাই- ৬০০ ০৩২, ভাৰত আঞ্চলিক কাৰ্যালয় ঃ ৫৫ আৰু ৫৫/১, চৌৰংগী ৰোড, চতুৰ্থ মহলা, চৌৰংগী কৰ্ট, ৰবীন্দ্ৰ সদনৰ নেহৰু চিলড্ৰেন মিউজিয়ামৰ বিপৰীতে, কলকাত